بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৯ আগষ্ট মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়ালাৰ কৃপাত যোৱা দেউবাৰে বৃটেইনৰ দিনীয়া বাৰ্ষিক জলছাৰ অন্ত পৰিছে। আল্লাহ তায়ালাৰ আগমন বৰকত এই জলছাৰ সৈতে সংলগ্ন আল্লাহ তায়ালাৰ বৰকতত আমি ইয়াৰ দ্বাৰাই লাভ কৰিব পাৰিছো। পোন প্ৰথমে মই সকলো কৰ্মী বৃন্দৰ শলাগ লৈছো, যিসকলে বিভিন্ন বিভাগত, বিভিন্ন পদত নিজৰ নিজৰ কাম সম্পাদন কৰিছে। সহায়ক কৰ্মীৰ পৰা লে বিষয়া বৰ্গৰ সমুহ পুৰুষ মহিলা, লৰা-ছোৱালী ডেকা-বুঢ়া সকলোৱেই নিঃস্বাৰ্থ ভাৱে নিজৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰিছে আৰু অতিথি সকলৰ আগত নিজৰ আমলেৰে ইছলামৰ প্ৰকৃত ছবি দাঙি ধৰিছে। হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে এতিয়া মই কিছুমান অতিথি বৃন্দৰ মনযুগুকৰ মন্তব্য আপোনালোকলৈ আগবঢ়াম।

মালেহো ইয়াকুব চাহাব ওয়ায়েছ (প্ৰেছিডেণ্ট মুছলিম কমিউনিটি বেনিন) কয় য়ে- মই বিছবাৰতকে অধিক হজ্ব কৰিছো। কিন্তু মই জামাত আহমদীয়াৰ জলছাত যোগগদান কৰি তাতকৈ বহুগুণে উত্তম ব্যৱস্থাপনা দেখিবলৈ পাইছো। মই বহুত ধৰ্মীয় কনফাৰেন্স আৰু ইজতেমাত অংশ গ্ৰহন কৰিছো কিন্তু এই জলছাৰ দৰে পৰিবেশ কতো দেখিবলৈ পোৱা নাই। মই ইয়াত আহি বহু কিবা কিবি শিকিবলৈ পাইছো। আহমদীয়াতেই হল প্ৰকৃত ইছলাম। লগতে কয় যে মই বেনিনত গৈ লোকক পৰামৰ্শ দিম যে আপোনালোকে বেলেগৰ কথাত কাণ নিদিব বৰং আহমদীয়াতৰ পৰা শিকি লব। একমাত্ৰ আহমদী সকলেই আছে যিসকলে পৃথিৱীত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰকৃত মৰ্যাদা বিস্তাৰ কৰি আছে।

ইয়াৰ পিছত ইউনানৰ পৰা অহা চিফ ৰুৱায়ে গেব্ৰিয়েল গ্ৰেগিন চাহাবে কয় যে মই খোদা তায়ালাৰ শলাগ লওঁ যে খোদা মোক এই আশ্বৰ্য্যজনক আন্তজাৰ্তিক জলছাত যোগদান কৰাৰ সৌভাগ্য দান কৰিছে। মই ইয়াত বেলেগ ধৰ্মৰ বিশ্বাস আৰু ধৰ্মৰ প্ৰতি এওঁলোকৰ সন্মান উপলব্দি কৰিব পাৰিছো। আকৌ কৈছে যে মোক সন্মানীয় ইমাম চাহাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে, যাৰ ফলত মই তেখেতৰ লগত সাক্ষাৎ কৰাৰ আৰু কথা বতৰা পতাৰ সুযোগ পাইছো। মই বহুত আনন্দিত হৈছো যে মই নিজৰ নিৰ্দিষ্ট টুপি পিন্ধিবলৈ কোনো দাবি ধমকিৰ ভয় ভীতিৰ দৃষ্টি অথবা বল প্ৰয়োগৰ কাৰ্য্য নোহোৱাকৈ হাজাৰ হাজাৰ মুছলমান ভাই সকলৰ মাজত ঘুৰি ফুৰিছো আৰু এয়া সম্পুৰ্ণই তাৰ বিপৰীত পৰিস্থিতি যি মই বেলেগ ঠাইত দেখিবলৈ পাইছো।

উৰুগুৱেৰ এখন বিশ্ববিদ্যালয়ৰ অৰিয়েণ্টেল ষ্টাজিজৰ অধ্যাপিকা জলছাত যোগদান কৰি কয় যে - মই তিনি বছৰতকৈ বেছি কাল ধৰি ইছলামী ৰাষ্ট আৰু সংগঠন সমুহৰ বিষয়ে অধ্যয়ণ কৰি আছো। আপোনালোকৰ জলছাত আহি দুটা বিষয লক্ষ্য কৰিছো যি অইন কতো দেখিবলৈ পোৱা নাই। তাৰে প্ৰথম বিষয়টো হল এয়া যে জমাৰত ঐক্য আৰু এজন নেতাৰ অধীনত একগোট হোৱাৰ উদাহৰণ মই কতো দেখা নাই। প্ৰত্যেকজনেই নিজৰ খলিফাৰ সৈতে আনুগত্য আৰু একাগ্ৰতাৰ অসাধাৰণ সম্পৰ্ক ৰাখে। দ্বিতীয় কথা হল এয়া যে জমাতৰ মাজত কোনো ধৰণৰ উচ্চ নীচ ভেদা-ভেদ নাই। এজন জন্মগত আহমদীয়ে হওঁক বা এজন নতুন আহমদী হওঁক অথবা এজন আৰবীয়ান হওঁক বা এজন পাকিস্থানী হওঁক বা অ- পাকিস্থানী হওঁক আপোনালোকৰ জামাতৰ নিজাম, সকলো ধৰণৰ ভেদা-ভেদৰ আৰু সাম্প্ৰদায়িকতাৰ পৰা পবিত্ৰ বুলি অনুমান হয়।

মৰক্কচৰ এজন বন্ধু, যিজন ফিলচফিৰ অধ্যাপক, তেওঁ কয় যে - মই জলছাৰ পৰা উত্তম ধাৰণা বুটলি লব পাৰিছো। এয়াই জমাতক নিচেই কাষৰ পৰা চোৱাৰ সুবিদা দিয়ে। মই এই বিশ্বব্যাপি ইজতেমাত জামাতৰ সুদৃঢ় ব্যৱস্থাপনা আৰু উত্তম অতিথি আপ্যায়ণ দেখিবলৈ পাইছো । এনেদৰে জমাত আহমদীয়াৰ উত্তম চৰিত্ৰৰ উমান পাইছো যি ইছলাম আৰু ৰছুলুল্লাহ (ছাঃ)ৰ শিক্ষাৰ দাপোন স্বৰূপ। এই জলছাৰ জৰিয়তে বিৰুদ্ধবাদী সকলৰ প্ৰপেগাণ্ডাৰ মিছা ভিত্তি আমাৰ আগত উন্মোচন হৈ গৈছে। এওঁলোকে এই খোদাই জমাতৰ সৈতে অযথা হিংসা পুহি ৰাখে। আল্লাহ তায়ালা আপোনালোকক মানৱতাবাদৰ সেৱা

সেৱা কৰিবলৈ তৌফিক দান কৰক।

আকৌ গিনি কিনা কৰিৰ এজন অতিথি আলহাজ মহম্মদ অকিল ইযাতাৰা চাহাবে কয় যে জলছাৰ এই তিনিটা দিনত যিটো বস্তুৱে মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে সেয়া হল আহমদী সদস্য বৃন্দৰ শিক্ষা-দীক্ষা ইছলামী শিক্ষা অনুসৰি সম্পাদিত আৰু সকলো আহমদী যিসকলে ইয়াত আহি একগোট হৈছে, অনুমান হয় যে এওঁলোক সকলোৱে ইছলামী ভাতৃত্ব বন্ধনৰ উচ্চ উদাহৰণ স্বৰূপ। যেনিবা এজনী মাকৰ সন্তান আৰু এখন ঘৰৰ পৰা আহিছে। অসাধাৰণ শৃংখলাপূৰ্ণ ইচ্ছাকৰ্মীৰ হাঁহিমুখ কাকো কোনো কষ্ট নিদিয়াকৈ জলছা ময়দানলৈ অহা যোৱা। এনেকুৱা লাগিছে যে এওঁলোক কোনো আচমানী জীৱ। এই সকলোবোৰ অৱস্থা চাই এনেকুৱা লাগিছে যে আজি যদি কোনো জমাতে ইছলামৰ দায় দিব পাৰে তেন্তে সেয়া একমাত্ৰ আহমদীয়া জমাতহে দিব পাৰে। লগতে আৰু কয় যে মই আন আন ইছলামী ৰাষ্টলৈ যোৱাৰ উপৰিও ছৌদি আৰবলৈ কেইবাবাৰ যোৱাৰ সুবিধা পাইছো। কিন্তু মই স্বচক্ষে চাই কৈ আছো যে মই এনেকুৱা ইছলামী ভাতৃত্ব বন্ধন পূৰ্ণ পৰিৱেশ কতো দেখিবলৈ পোৱা নাই।

মোৰ ইখিনি কবলৈ অলপো সংকোচ বোধ নহয় যে প্ৰায় চল্লিছ হাজাৰ লোক এঠাইত জমা হোৱা আৰু ধাৰাবাহিক ভাৱে ইছলামী শিক্ষা প্ৰচাৰ কৰা, লড়াই বিবাদ আৰু দৌৰা দৌৰি নোহোৱাকৈ আল্লাহৰ ৰছুলৰ প্ৰেমত ডুবি দিন অতিবাহিত কৰাটো আহমদীয়া জমাতৰ এটা গৌৰৱ উজ্বল পাৰ্থক্য স্বৰূপ।

আন এজনী মহিলা অতিথি ফান তাফু কানা ওমৰ চাহিবা, যিজনি গিনিকিনাকৰিৰ কাষ্টম এয়াৰপোৰ্ট গিনি লেফটেনেণ্ট। তাই নওমোবাইন আছিল। তাই কয় যে- যদিও মই আহমদীয়াতৰ শিক্ষাত অনুপ্ৰাণিত হৈ আহমদী হৈছিলো তথাপি অন্তৰত এটা ভয় আছিল যে মই কিবা ভূল সিদ্ধান্ত লৈ ললোঁ নেকি ? কিন্তু আজি মই বৃটেইনৰ বাৰ্ষিক জলছাত অংশগ্ৰহন কৰি খোদা তায়ালাৰ শপত খাই কব পাৰো যে মোৰ সকলো সন্দেহ, সংকোচ দূৰ হৈ গৈছে আৰু জলছাত যোগ দি মোৰ বিশ্বাস উপজিছে যে বিশ্বত আজি যদি কোনো জমাতে ইছলামৰ প্ৰতিনিধিত্ব কৰিব পাৰে তেন্তে সেয়া একমাত্ৰ আহমদীয়া মুছলিম জামাতে জামাতেই আছে যিয়ে এই কাম কৰিব পাৰে।

গিবোনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু পাৰ্লিয়ামেণ্টৰ সদস্যপাল বিয়োগ চাহাব এই জলছাত অংশগ্ৰহন কৰিছিল। এওঁলোকে কয় যে জলছাত অনুষ্ঠিত কৰা ভাষনৰ পৰা আমি ইছলাম আৰু বিশেষকৈ আহমদীয়াত সম্পৰ্কে বহুখিনি জ্ঞান লাভৰ সুবিধা পাইছো। এজনে কয় যে মই আহমদী সকলক অইন মুছলমান সকলৰ দৰেই ভাৱিছিলো, যি সকলে বিশ্বৰ শান্তি বিনষ্ট কৰি আছে। কিন্তু মই ইয়াত আহি আপোনালোকৰ কাৰ্য্যত অনুপ্ৰাণিত হৈছো। আপোনালোক পৰিশ্ৰমি মানুহ, আপোনালোকৰ ইছলামেই প্ৰকৃত ইছলাম আৰু জগতক আজি ইয়াৰেই প্ৰয়োজন। মোৰ দেশখনৰও এনে ইছলামৰ প্ৰয়োজন আছে।

গিবোনৰ পৰা অহা আন এজন অতিথি আছিল পাছিদ আলোৱাদোংকা চাহাব। এওঁ বৈদেশিক মন্ত্ৰালয়ৰ ডিৰেক্টৰ কেবিনেট হয়। তেওঁ কয় যে জলছাৰ পৰিবেশ বৰ মনোমোহা আৰু আধ্যাত্মিক পৰিবেশ আছিল,ইয়াক কেতিয়াও পাহৰিব নোৱাৰো। জলছাত অংশগ্ৰহন কৰি মই বহু কথাৰ শিকাৰ সুযোগ পাইছো। ইছলাম সম্পৰ্কে বহুত জনাৰ আৰু বুজাব সামাৰ্থ লাভ কৰিছো। মই মুছলমান নহয় কিন্তু এতিয়া মই নিজকে নিজে মুছলমান বুলি ভাৱো।

আন এজন অতিথি আছিল হ্যায়িৰি এলিগোনচা চাহাব। এওঁ চেণ্টেল আফ্ৰিকাৰ ৰিপাব্লিকৰ প্ৰেছিডেণ্টৰ উপদেষ্টা। এওঁ কয় যে জমাত আহমদীয়াৰ এটা উদ্দেশ্য হল বিশ্বত ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰা, এই উদ্দেশ্য সফলাৰ্থে এওঁলোকে দিনে ৰাতি পৰিশ্ৰম কৰি থাকে। পৃথিৱীৰ বেলেগ বেলেগ সংগঠনৰ এই উচ্চ একাগ্ৰতা পাবলৈ নাই।

এই সুযোগত মই নিজৰ আৰু নিজৰ দেশৰ ফালৰ পৰা এই সফল জলছা অনুষ্ঠিত হোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । লগতে মই জামাত আহমদীয়াক আমন্ত্ৰণ জনাওঁ যে আপোনালোকে আমাৰ দেশতও এই শিক্ষা আৰু ভালপোৱা বিস্তাৰ কৰক । আমাৰ দেশখন কেইবা বছৰৰ যুদ্ধ বিগ্ৰহৰ পিছত এতিয়া শান্তিৰ ফালে ধাবিত হৈছে। গতিকে এই শিক্ষাৰ জৰিয়তে দেশখনত আকৌ শান্তি প্ৰতিষ্ঠা হোৱা সম্ভৱ হব পাৰে। জলছাৰ পৰিৰেশ চিৰস্মৰণীয় হৈ থাকিব আৰু মই প্ৰত্যক বছৰ এই বাৰ্ষিক জলছাত অংশগ্ৰহন কৰি আধ্যাত্মিক প্ৰশান্তি লাভৰ চেষ্টা কৰিম আৰু ইয়াৰ নিমিত্তে মই দোৱা কৰিম। আকৌ কয় যে এতিয়া মই ওভতি গৈ জামাত আহমদীয়াৰ বাৰ্তা বেলেগক জনাম যে এয়াই প্ৰকৃত ইছলাম।

ব্ৰাজিলৰ আন এজন অতিথি মৌৰুহেনৰি চাহাব, যিজন পিটাৰ ও পালিকচ চিটি কাউন্সিলৰ প্ৰেছিডেণ্ট। তেওঁ কয়

খলিফা ওয়াক্তৰ সকলো ভাষণ প্ৰকৃত  ইছলামৰ পাল্কি স্বৰূপ। তেখেতৰ কথাত আপোনা-আপুনি অন্তৰ স্পৰ্শ কৰি যায়। মই বিগত তিনি দিন আধ্যাত্মিক পৰিৱেশত পাৰ হৈছো আৰু তাত কোনো ধৰণৰ ক্লান্তি অথবা বিমৰ্ষতা অনুভৱ কৰা নাই। জলছা ময়দানত নামাজৰ দৃশ্য মোৰ বাবে অসাধাৰণ আৰু আচৰিত বিষয় আছিল যে এটা শব্দৰ ওপৰত সকলোৱে উঠা বহা কৰে। ইয়াৰ উপৰিও আৰু এটা বিষয় আছে যিয়ে মোৰ ওপৰত অসাধাৰণ প্ৰভাৱ বিস্তাৰ কৰিছে, যিটো নকৈ থাকিব নোৱাৰো। যেতিয়াই খলিফা কৰবাত আহি উপস্থিত হয় তেতিয়া হাজাৰ হাজাৰ লোকৰ সমাগম স্থলী নিস্তব্দ হৈ পৰে। কোনেও কিবা কোৱাৰ প্ৰয়োজন বোধ নকৰে। ইয়াৰ পৰা অনুমান হয় যে কেৱল নিজামতেই নহয় বৰং সকলো লোকৰ অন্তৰত নিজৰ খলিফাৰ নিমিত্তে সীমাহীন সন্মান অন্তৰভূক্ত হৈ আছে। এই স্মৃতি বুকুত বান্ধি ওভতি গৈ আছো। যি মই উপলব্ধি কৰিব পাৰিছো সেয়া মোৰ চেণ্টাৰত আৰু কাউন্সিলত বৰ্ণনা কৰিম। প্ৰকৃতাৰ্থে নিগুঢ় ইছলাম ইয়াতে আছে।

আন এজন অতিথি আউৰলি মছিছ চাহাব, যিজন ইকুৱাডোৰৰ পৰা আহিছিল। এওঁ নিজৰ অঞ্চলৰ এজন বিশপ। তেওঁ কয় যে জলছাৰ ব্যৱস্থাপনা বৰ উন্নত আছিল। খলিফা ওয়াক্তৰ ভাষনত সেই সকলোবোৰ বিষয় উপস্থাপিত হৈছে, যিয়ে আমাৰ দৃষ্টি সলাবলৈ প্ৰয়োজনীয়। তেখেতৰ ভাষনত মোৰ বাবে আটাইতকৈ ভাল লগা কথা আছিল এয়া যে - তেখেতৰ কোনো সম্প্ৰদায়ৰ ধৰ্মৰ বিষয়ে বিৰোধী মন্তব্য কৰা নাই। বৰং তেখেতে একমাত্ৰ ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত ভাষণ ৰাখিছিল। তেওঁ কয় যে - মই যেতিয়া এই জলছাৰ উদ্দেশ্য ঘৰৰ পৰা ওলাইছিলো তেতিয়া মোৰ মনত ভাৱ আছিল যে ইছলাম এটা ধৰ্ম মাত্ৰ কিন্তু ইয়াত আহি দেখিলো যে ইছলাম কেৱল মাত্ৰ ধৰ্মই নহয় বৰং ই এটা ডাঙৰ ভাতৃত্ব বন্ধন, এটা বংশ বৃক্ষ, এটা পৰিয়াল। মই ইছলামৰ প্ৰতিষ্ঠিত ভাতৃ নিজাম আৰু আপোনালোকৰ নিজৰ ধৰ্মৰ বাবে প্ৰাণ পন চেষ্টা আৰু কুৰবাণী চাই বৰকৈ অনুপ্ৰাণিত হৈছো। আকৌ আলমি বয়াত সম্পৰ্কে কয় যে যেতিয়া বয়াত আৰম্ভ হৈছিল তেতিয়া কোনোবাই মোৰ  কান্ধত হাত ৰাখিছিল আৰু মইওঁ মোৰ সন্মুখত থকা জনৰ কান্ধত হাত ৰাখিছিলো। তেতিয়া মোৰ উপলব্ধি হৈছিল যে  এয়া এটা বিজুলি গতি, যি সকলো জলছাৰ অংশীদাৰ সকলৰ সিৰা উপসিৰাত পাৰ হৈ গৈ আছে। মই বিশেষ এয়া ভাবিছিলো যে আহমদী সকলে এই বয়াতৰ পিছত নিজকে নিজে সজীৱ সতেজ উপলব্ধি কৰি আছে আৰু এনেকুৱা লাগিছিল যে যেনিবা তেওঁলোকৰ এটা নৱ-জীৱণ প্ৰাপ্ত হৈছে। মই সকলো লোকৰ শলাগ লওঁ যে তোমালোকে মোক জলছাত যোগদান কৰাৰ সুবিধা দিছে আৰু ইছলামৰ প্ৰকৃত শিক্ষাৰ সৈতে চিনাকি কৰোৱাইছে। এতিয়া মোৰ বিশেষ ভাৱে উপলব্ধি হৈছে যে আমি কিছু সংখ্যক লোকৰ ভূল কৰ্ম কাণ্ডত গোটা ইছলাম ধৰ্মক ভূল বুলি ধাৰণা কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - ছলোৱে নিয়াৰ এজনী মহিলা, ঈছাইয়তৰ প্ৰফেছৰ বাৰবৰা আউচে চাহিবায় কয় যে - মই কেতিয়াও এনেকুৱা ইছলাম দেখা নাই, যি জমাত আহমদীয়ায় আগবঢ়াইছে। জলছা চাই মোৰ এনে লাগিছে যে-যেনিবা মই এটা নতুন ইছলাম প্ৰত্যেক্ষ কৰি আছো। জামাত আহমদীয়া হজৰত ঈছা (আঃ)ৰ ছেলিবৰ ঘটনা, আৰু হিজৰত আৰু মৃত্যু সম্পৰ্কে অভিমত আটাইতকৈ বিশ্বাসযোগ্য আৰু সত্য সন্মত বুলি অনুমান হয়।

মোনিছ ছিনানোৱছ চাহাব, যিজন ছলোৱেনিয়াৰ এজন লিখক আৰু জন্মগত মুছলমান হয় কিন্তু কেতিযাওঁ ইছলামলৈ তেওঁৰ মন নাছিল। তেওঁ কয় যে যোৱা দুবছৰ ধৰি মই ইছলাম সম্পৰ্কে অধ্যায়ণ কৰিবলৈ লৈছো আৰু নামাজ পঢ়িবলৈ আৰম্ভ কৰিছো। কিন্তু মই কোনো ইমামৰ পিছত নমাজ পঢ়া নাই। ইয়াতে আহি জামাতৰ সৈতে নমাজ পঢ়াৰ যি সোৱাদ পালো, সেয়া সম্পূৰ্ণই এটা বেলেগ তৃপ্তি। জামাত আহমদীয়াৰ শিক্ষা সেয়াই আছে, যি মই ইছলাম সম্পৰ্কে নিজে ধাৰণা ৰাখিছিলো। অৰ্থ্যাৎ প্ৰত্যেক বস্তুৱেই চৰিত্ৰ অনুসৰি হয়। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - আৰু এটা কথা তেওঁ পছন্দ কৰিছে, সেয়া হল আহমদী সকলে সেয়া কৰে, যি তেওঁলোকে কয় আৰু এয়া বৰ ডাঙৰ চ্যালেঞ্জ আমাৰ বাবে আৰু সদায় মনত ৰাখিব যে আমাৰ কথা আৰু কাৰ্য্য একে হব লাগিব। আমি যি কম, তাকেই কৰিম।

ইটালীৰ মিডালেনা চাহিবা, যিজনীয়ে ভেটিকাণৰ ইছলামী বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ-ডি ডিগ্ৰী লাভ কৰিছে। তাই কয় যে জলছা ছালানা বৰ ভাল লগা আছিল। এয়া কেৱল আহমদী সকলৰ বাবেই নহয় বৰং সকলো অতিথিৰ বাবেই জ্ঞান বৰ্দ্ধক আছিল।

জোৱাদ বোলামিল চাহাব, এখেতে ফ্ৰান্সত মিনিষ্ট্ৰি অফ জাষ্টিচৰ কাম কৰিছিল। তেওঁ কয় যে জলছাৰ দিন কেইটাত ১ এ-এ-এ-ই আৰু হিউমিনিটি ফাষ্টৰ প্ৰদৰ্শনীত গৈ আৰু আপোনালোকৰ জমাতৰ কামবোৰ চাই বৰ অনুপ্ৰাণিত হৈছো।

আচল ধৰ্ম ইয়াতেই আছে, যিয়ে বিনা বিভাজনত জাতি সম্প্ৰদায়, বংশই মানৱ সেৱাত ব্ৰতী হৈ আছে।

স্পেইনৰ পৰা অহা এটা দলৰ লগত অহা এজনী অতিথি ছুজানা মোৱাল চাহিবায় কয় যে - মোৰ ধাৰণা মতে "ভালপোৱা সকলোতে ঘৃণা নাই কাৰো সতে" বাক্যশাৰী প্ৰকৃতাৰ্থ এই সুন্দৰ ইজতেমাত প্ৰতিফলিত হৈছে। মই বিভিন্ন শ্ৰেণীৰ লোকক পৰস্পৰে মিলামিলি কৰা দেখিবলৈ পাইছো। এয়া এনেকুৱা এটা ধৰ্ম যিয়ে পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ্থে সমস্যা আৰু অন্যায়ৰ বিৰুদ্ধে যুদ্ধ ঘোষনা কৰা উচিত।

আৰফ্ৰে চাহাব,(যি বৃটিছ ছোছাইটি অফ টেৰৰণ ছৰাওৱেটৰ প্ৰাক্তন প্ৰয়োজক) কয় যে মই পাচঁ বছৰ ধৰি নিয়মিত এই জলছালৈ আহি আছো আৰু মই কবলৈ বাধ্য হৈছো যে এওঁলোক নিজৰ ভৰপুৰ দোৱাৰে সেই ৰূহ অন্ত পৰিবলৈ দিয়া নাই। যি মই তেতিয়াই ইয়াৰে বতাহত উপলব্ধি কৰিছিলো যেতিয়া মোক প্ৰথমবাৰ ইয়ালৈ নিমন্ত্ৰণ জনাইছিল। মই ছৰাত্তৰেট অফ টেৰৰণৰ অভিজ্ঞ লোক আৰু এয়া এনেকুৱা কাপোৰ যি আহমদীয়া জামাতত বৰ পছন্দনীয় কাৰণ এওঁলোকৰ ধাৰণা হল যে এয়া এটা প্ৰমাণ স্বৰূপ যে ছেলিবত হজৰত মছিহাৰ মৃত্যু হোৱা নাছিল।

কানাডাৰ এব্ৰিজনল কমিউনিটিৰ প্ৰতিনিধি চিফ মেইনগম হেনৰি চাহাবে কয় যে জলছা ছালানাত অংশগ্ৰহন কৰাটো মোৰ বাবে বৰ গুৰুত্বপূৰ্ণ বিষয় কাৰণ ইয়াৰ দ্বাৰা মোৰ জীৱনৰ পথ পৰিবৰ্তন ঘটিছে। মই এতিয়া ইছলাম সম্পৰ্কে আগতকৈ বেছি জানিব পাৰিছো। মোৰ অনুমান হয় যে ইঁছলাম ্ৰু কানাডাৰ পুৰণি ধৰ্মৰ মাজত বহুত কথাৰ মিল আছে।

বেলিজৰ এজন অতিতি "ওৱেনে টেৰিঅ ডিৰেক্টৰ অফ নিউজ লাইফ এম" য়ে কয় যে মই আহমদী সকলৰ মাজত যি একতা দেখিবলৈ পাইছো, সেয়াই মানৱীয় অন্তৰত এটা নতুন ৰূপ ঢালি দিওঁতা। সেয়া চাই অন্তৰত শান্তি লাভৰ নিমিত্তে ইচ্ছা জাগ্ৰত হৈ উঠে। ব্যৱস্থাপনা বৰ মনযুগুৰ আছিল। ইমাম জামাতৰ ভাষণ বৰ্তমান যুগৰ প্ৰয়োজন অনুযায়ী আছিল।

বেলিজৰ চিষ্টাৰ উইলিয়ম চাহাব, যিজন এজন পুলিশ কমিশনাৰ, তেওঁ কয় যে ইছলাম সম্পৰ্কে মোৰ জ্ঞান বৰ্দ্ধন হৈছে। এই জলছাত অংশগ্ৰহন কৰাৰ আগত মোৰ ধাৰণা আছিল সকলো মুছলমান একেই। কিন্তু এতিয়া বুজি পাইছো যে ইছলামৰ বিভন্ন ফিৰকা আছে। প্ৰশংসনীয় কথা হল এয়া যে আহমদী সকলে শান্তিৰ উদগাতা আৰু ডেকা চামৰ সংশোধনৰ নিমিত্তে বহু সময় খৰচ কৰি থাকে।

মেক্সিকোৰ মাৰিয়া চাহিবায় কয় যে মই ইছলাম গ্ৰহন কৰাৰ মাত্ৰ দুমাহ পাৰ হৈছে। ইছলাম সম্পৰ্কে মোৰ বহুত প্ৰশ্ন আছিল। এই জলছাৰ যোগেদি মোৰ সম্পৰ্কে বহুতো জ্ঞান বাঢ়িছে। মোৰ সকলো সন্দেহ আৰু প্ৰশ্নৰ সমাধান পাইছো।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়ালা জলছাত যোগ দিয়া আহমদী সকলৰ নিমিত্তে ঈমান বৰ্দ্ধনৰ কাৰক বনাওঁক। খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে মকৰম মজিবৰ ৰহমান চাহাব এডভোকেটৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ২০১৯ চনৰ ৩০ জুলাইত ৮৫ বছৰ বয়সত ৰাবুওয়াৰ তাহিৰ হাৰ্ট ইনষ্টিটিউটত ইহলীলা সম্ভৱণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।(আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 9 August. 2019**

To

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**